SPM IAS ACADEMY
SHAPING BRILLIANCE

FIRST MOCK APSC MAINS 2024 (ESSAY)

Duration: 3 Hrs

NAME:	PINKI MANI NATH	**APSC ROLL NO:**	4412178
DATE:	12/09/2025	**PHONE NO:**	
EMAIL ID:			

(Please fill your details correctly)

Medium: **English** ☐ **Assamese** ☑

INDEX NUMBER		
Q.NO.	**Maximum Marks**	**Marks Obtained.**
Section A	**125**	
1		
2		
3		
4		
Section B	**125**	
5		
6		
7		
8		
TOTAL:	**250**	

INSTRUCTIONS

Please read each of the following instruction carefully before attempting the questions:

- Essay paper will consist of **two Sections**, each Section containing of **4 Essay topics**, out of which the candidates will be required to write **one topic** from each of the sections A and B, in about 1000-1200 words each.
- Each Essay will carry 125 marks.
- There will be word limit and page limit for the essays.
- The duration of the test is 3 hrs.
- Use a **blue** or **black** ballpoint pen only.

Remarks

Signature of the Student:

Invigilator's Signature:

NOTE: EVALUATION PERIOD FOR THE MAINS TEST SERIES COPY IS 10 DAYS.

8473823094

SPM IAS ACADEMY
SHAPING BRILLIANCE

Brief report of Performance Evaluation of student in the paper				
Parameter / Criteria	Aspect Considered	Total Marks	Essay 1	Essay 2
Basic Format	Introduction + conclusion	10		
	Body	15		
Content	Data/ Facts/ Interpretation/ Analysis	25		
Organisation	Flow of Ideas / Absence of Deviation from the topic	25		
Language skills	Punctuation/ Grammar/ sentence Formation / Spellings	25		
Examiner's Discretion	Perception / Innovation / Engaging	25		

Parameters	Very Good	Good	Average	Poor
coherence				
Language				
Handwriting				

8473823094

(Don't write anything beyond this margin)

DETAIL FEEDBACK

ALL THE BEST

SECTION: A

Q1. Education without values, as useful as it is, makes a man more clever devil.
প্ৰশ্ন ১) মূল্যবোধবিহীন শিক্ষাই মানুহক অধিক চতুৰ আৰু চয়তান কৰি তোলে।

Q2. Justice delayed is justice denied, but hasty justice is injustice.
প্ৰশ্ন ২) ন্যায় প্ৰদানত পলম হোৱাটো ন্যায় প্ৰত্যাখ্যান হোৱাৰ দৰে, কিন্তু খৰখেদাকৈ ন্যায় প্ৰদান কৰাটোও একপ্ৰকাৰৰ অন্যায়।

Q3. You have to learn the rules of the game. And then you have to play better than anyone else.
প্ৰশ্ন ৩) আপুনি প্ৰথমতে খেলৰ নিয়মবোৰ শিকিব লাগিব। আৰু তাৰ পিছত আপুনি আন সকলোৰে তুলনাত ভালদৰে খেলিব লাগিব।

Q4. If we are not counted, we do not count.
প্ৰশ্ন ৪) যদি আমাক গণনা কৰা নহয়, আমিও গণনা নকৰোঁ।

(1200 words)

1. মূল্যবোধবিহীন শিক্ষাই মানুহক অধিক চতুৰ আৰু চয়তান কৰি তোলে

উত্তৰ:-

মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাবে
অকনি সহানুভূতিৰে ভাবিব
কোনেনে কোৱা! সমনীয়া

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ এই গীতটিৰ ভাৱাৰ্থ অনুভৱ তথা অনুশীলনৰ ~~প্ৰভাৱ~~ প্ৰয়োজনীয়তা বাৰুকৈয়ে যেন আহি পৰিছে। কাৰণ মানৱ সমাজত মূল্যবোধহীনতাৰ বাবে

যি ভয়াবহ সময়ৰ পিনে আমি গতি কৰি আছো সিয়ে নিশ্চয়কৈ সমাজৰ স্খলনৰ দিশতো যে ধাৱমানিত হোৱাটোৱে ইংগিত বহন কৰিছে। মূল্যবোধ যদিও চাৰিটা আখৰৰ এটা ~~শব্দ~~ গৰু শব্দ ই বহন কৰে এক বিশাল তাৎপৰ্য। সমাজ এখন জীয়াই থাকিবলৈ মানুহক মৌলিক প্ৰয়োজনৰ লগতে মূল্যবোধসম্পন্ন শিক্ষাৰ বাৰুকৈয়ে প্ৰয়োজন। অন্যথাই সমাজ এখনৰ সামগ্ৰিক প্ৰগতিত বাধাপ্ৰাপ্ত হয়। কিয়নো মূল্যবোধবিহীন শিক্ষাই মানুহক চতুৰ তথা চয়তান কৰি তোলে। আৰু এনে সমূহ ব্যক্তি সমাজ কেতিয়াও স্বাৰ্থহীন ভাৱে সমাজক অগ্ৰগতিৰ পিনে আগবাঢ়ি যোৱাৰ সহায়ক নহয়।

মূল্যবোধবিহীন শিক্ষাৰ প্ৰভাৱ আমি সততে সমাজত দেখি আছোঁ, যিয়ে সামাজিক প্ৰণালীক অস্থিৰ, ভাৰসাম্যহীনতাৰ সৃষ্টি কৰে। যোৱা কিছু দিন আগত কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ সফলত

8473823094
(Don't write anything beyond this margin)

ভাৰতৰ নিৰীহ জনতাৰ জীৱন বিপদাপন্ন তথা কিছু লোকে মৃত্যুক সাৰটি লব লগা হৈছিল। প্ৰতিয়া সেই শান্তিপূৰ্ণ অৱস্থাত কিছু সংখ্যক মূল্যবোধবিহীন পাকিস্তানীয়ে ভাৰতৰ শান্তি উলংঘনৰ হেতু কূটনীতিৰ ৰচনা কৰি থাকে। যদিহে পাকিস্তানৰ দৰে দেশত মূল্যবোধসম্পন্ন শিক্ষাৰ প্ৰচাৰ প্ৰসাৰ থাকিলে হয়তো সেই দেশৰ সেনাপ্ৰধানে ~~আৰু~~ সন্ত্ৰাসবাদীৰ জনাজাত উপস্থিত হৈ গভীৰ শোক প্ৰদৰ্শন নকৰি নিন্দা কৰিলে হয়তো। কিন্তু পাকিস্তানৰ মূল্যবোধ বিহীন শিক্ষাৰ এনা পৰিণতি যিয়ে দেশত সন্ত্ৰাসবাদৰ দৰে ঘৃণনীয় বিষয়ক তীব্ৰ গৰিহণাৰ সলনি পালন পোষণ কৰি চতুৰ তথা চয়তান ব্যক্তিত্বক প্ৰোৎসাহন যোগাই আহিছে। যাৰ ফলত বিশ্বৰ শান্তি শৃংখলাত ব্যাঘাত জন্মিছে।

অকল পাকিস্তানেই নহয় দুৰ্ভাগ্য দেশ আফগানিস্তানটো তালিবানী শাসনে মহিলাৰ স্বাধীনতা সন্মান নকৰে। সেয়াও মূল্যবোধ বিহীন শিক্ষাৰেই অভাৱ যিয়ে মানুহক স্বাৰ্থপৰ চৰিত্ৰৰ অধীনে তুলিছে।

এনে নহয় যে আমাৰ নিজৰ ৰাষ্ট্ৰৰ ভিতৰতো মূল্যবোধসম্পন্ন শিক্ষাৰ প্ৰবল অভাৱ; ~~অ~~ অভাৱ তথা অনুশীলন হৈ আছে। শেহতীয়া এনে বহুতো উদাহৰণ আছে যত মূল্যবোধহীনতাৰেই অভাৱ দেখিবলৈ পোৱা গৈছে। আজিকালি প্ৰায় সমূহ বিদ্যালয়-মহাবিদ্যালয়ত বহু সংখ্যক অনৈতিক কাণ্ড-কাৰখানাই সভ্য সমাজক লজ্জানত কৰিবলৈ বাধ্য কৰিছে। বহুতো অধ্যয়নৰত ছাত্ৰীক প্ৰেমজনিত অথবা প্ৰেম প্ৰত্যাখ্যান জনিত কাৰণও ~~প্ৰ~~ হত্যাৰ দৰে ঘটনাও দেখিবলৈ পোৱা গৈছে। এই ধৰণৰ কাণ্ড সংঘটিত কৰা অধিক সংখ্যক

8473823094
(Don't write anything beyond this margin)

অপৰাধীলে হৈছে দেশৰ যুৱ সমাজ। যি মূল্যবোধবিহীন শিক্ষাৰ বাবে এনে জঘন্য অপৰাধ কৰিবলৈ শংকাবোধ নকৰে। গোটেইটা বিভিন্ন চৰকাৰী তথা বেচৰকাৰী তথ্যানুসাৰি দেশত অপৰাধ মূলক ঘটনা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। যত অধিকাংশ পণ্ডিতজনেই চলোৱা বিভিন্ন গৱেষণা অনুসৰি মূল্যবোধবিহীন শিক্ষাও অপৰাধজনিত ঘটনা বৃদ্ধিৰ কাৰক বুলি অভিহিত কৰিছে। সেয়েহে এনেসমূহ সংস্কাৰৰ গুৰুত্ব তথা প্ৰয়োজনীয়তাৰ মাপকাঠী হিচাপে মূল্যবোধ সম্পন্ন শিক্ষাৰ সংযোজনৰ বাবে আহ্বান জনাইছে।

এনে নহয় যে ভাৰতীয় পৰম্পৰাত মূল্যবোধৰ প্ৰয়োজনীতা অথবা প্ৰাসংগিকতা আজি উত্থাপন হৈছে। ভাৰতীয় সমাজ গঠনৰ ~~সময়~~ প্ৰাচীনতম কালৰ পৰা ইয়াৰ প্ৰাসংগিকতা তথা

অনুশীলন কৰি অহা হৈছে। প্ৰাচীনতম শিক্ষা পদ্ধতি গুৰুকুলত মূল্যবোধ এক অন্যতম গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হৈছিল। শিক্ষাৰ অংশ হিচাপে ইয়াৰ পৰিসৰ আছিল ব্যাপক। বিখ্যাত অৰ্থনীতিবিদ চাণক্যই তেওঁৰ 'অৰ্থশাস্ত্ৰ'ত মূল্যবোধৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদভাৱে বৰ্ণনা কৰি গৈছে।

ভাৰতৰ মূল্যবোধসম্পন্ন শিক্ষাৰ ক্ষেত্ৰত ধৰ্মগ্ৰন্থ ভাগৱত গীতাৰ প্ৰাসংগিকতা আজিও বিদ্যমান। য'ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক বিভিন্ন শ্লোক তথা বাণীৰ জৰিয়তে মূল্যবোধ সংপৃক্তৰ জ্ঞানেৰে মহাভাৰতৰ যুদ্ধত জ্ঞান দৰ্শন কৰাইছিল।

বাল্মীকিৰ প্ৰসিদ্ধ ৰামায়ণতো অন্যতম চৰিত্ৰ শ্ৰীৰামচন্দ্ৰ, দশৰথ, সীতা, লক্ষ্মণ, ভৰত, বিভীষণৰ দৰে চৰিত্ৰৰ যোগেদি

8473823094
(Don't write anything beyond this margin)

মূল্যবোধৰ কোন অন্বেষণ হৈ আহিছে।

ঠিক তেনেদৰে মধ্য যুগৰ ভাৰতত মোগল সম্ৰাট আকবৰৰ ধাৰ্মিক সহিষ্ণু মহানশীলতাৰ মূল্যবোধকো অন্যতম আদৰ্শ বুলি গণ্য কৰা হয়।

আধুনিক যুগত মূল্যবোধ সম্পন্নতাৰ শিক্ষাৰ ক্ষেত্ৰত মহাত্মা গান্ধী, স্বামী বিবেকানন্দ, ৰবীন্দ্ৰনাথ ঠাকুৰ আদিৰ দৰে মহান মনীষীৰ অৱদান উল্লেখযোগ্য। মহাত্মা গান্ধীৰ অহিংসাৰ দৰে মূল্যবোধৰ নীতিয়ে শক্তিশালী ঔপনিবেশিক ব্ৰিটিছ সাম্ৰাজ্যক নতশিৰ হবলৈ বাধ্য কৰিছিল। স্বামী বিবেকানন্দৰ চিকাগোত প্ৰদান কৰা বিশ্ব ধৰ্মৰ মূল্যবোধৰ আদৰ্শৰে যুৱ সমাজক অনুপ্ৰাণিত কৰা ভাষণ আজিও নিমানেই তাৎপৰ্য্য বহন কৰি আহিছে।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'শান্তি নিকেতন' মূল্যবোধৰ ওপৰত আধাৰিত তথা প্ৰতিষ্ঠিত।

মূল্যবোধযুক্ত সম্পন্ন শিক্ষাৰ প্ৰয়োজন যুগে যুগে প্ৰয়োজন আছিল তথা ভৱিষ্যতেও থাকিব। কাৰণ মূল্যবোধহীনতাই সমাজত কঢ়িয়াই আনে উচ্ছৃংখলতা, অশান্তি, অসূয়া, অন্যায়, অপৰাধজনিত ঘটনা। সুস্থিৰ সমাজে এনেকুৱা সমাজ এখন প্ৰগতিৰ নতুন দিগন্তৰ উত্থান কৰে। আৰু সমাজ এখন সুস্থিৰ হবলৈ হয়তো একক মানৱ এজনো সুস্থিৰ হব লাগিব। কাৰণ যুগ যুগ ধৰি উদাহৰণ স্থাপিত হৈছে অধৰ্মতকৈ ধৰ্মৰ জোৰ বেছি। গতিকে চতুৰ তথা চমতানা লোকে সমাজত ৰাজ কৰিব পাৰে কিন্তু সেয়া দীৰ্ঘস্থায়ী নহয়। সেয়া হয় হঠাৎ স্থায়ী প্ৰকাৰৰ।

মূল্যবোধ সম্পন্ন শিক্ষাৰ প্ৰসাৰ এজন ব্যক্তিৰ মাজত সৰুকালৰ কৰাৰ প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰাথমিক বীজ ৰোপণ এটা পৰিয়ালৰ পৰাই আৰম্ভ হয়। সৰুতে এটি শিশুৱে নিজৰ পিতৃ-মাতৃক অন্য ব্যক্তিৰ আগত ফাঁকি দিয়া, বেয়া ব্যৱহাৰ কৰা, হিংসাত জড়িত হোৱা দেখিলে, শিশুটিয়ে তেনে আচৰণ যুক্তিসংগত বুলি ভাবিবলৈ আৰম্ভ কৰে। সেয়েহে আৰম্ভণিৰ পৰাই অভিভাৱক সকল এনে দিশ সমূহক লৈ সজাগ হ'ব লাগে তথা শিশুৰ ক্ষেত্ৰত নেতিবাচক মূল্যবোধ প্ৰভাৱ সম্পৰ্কে জ্ঞাত হ'ব লাগে।

আনহাতে বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাইও মূল্যবোধ সংৰোপিত কৰাত অন্যতম ভূমিকা পালন কৰে। সেয়েহে বৰ্তমান সময়ত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি

2020 ৰ যোগেদি চৰকাৰে বিভিন্ন পাঠ্যক্ৰম তথা Action plan ৰ যোগেদি মূল্যবোধ সম্পন্ন শিক্ষাৰ অভাৱ আৰম্ভ কৰিছে। ~~উদ্দেশ্য~~ শিক্ষাত মূল্যবোধ আৰোপৰ দিশে এমোজ আগবঢ়াই অসম চৰকাৰে চৰকাৰী বিদ্যালয় সমূহত পুনৰ "চৰিত্ৰ পাঠ" নামৰ পুথি খনৰ সংযোজন কৰি এক আদৰ্শ দাঙি ধৰিছে।

মূল্যবোধ সম্পন্ন সমাজ এখন সকলোৰে কাম্য। সেয়েহে এই দিশত কাৰ্যকৰী ভাৱে আগবাঢ়িবলৈ হলে চৰকাৰ, প্ৰশাসন, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিক তথা আমি আটায়ে এই দিশত তাৎক্ষণিক ভাৱে আগবাঢ়িব তথা সক্ৰিয় হোৱাৰ সময় হৈ আহি পৰিছে। কিয়নো আমি আটায়ে দেখিছো তথা জানো যে ভাৰতৰ দৰে দেশ এখন যি অনৈক্যৰ মাজত ঐক্য

8473823094
(Don't write anything beyond this margin)

বৈচিত্ৰ্যময় সংস্কাৰ হিচাপে খ্যাতি প্ৰাপ্ত। মত বিশ্বৰ প্ৰধান ধৰ্মৰ জন্ম যেনে হিন্দু, জৈন, বৌদ্ধ, শিখৰ দৰে ধৰ্মৰ জন্মস্থল। যিয়ে আমাক মূল সততে ধৰ্মীয় মূল্যবোধৰে জৈতে সংযুক্ত কৰি ৰাখিছে।

গতিকে এনে এখন দেশত মূল্যবোধবিহীন শিক্ষাৰে চতুৰ তথা ভয়ংকৰ ব্যক্তি গোটৰ কাম্য একেবাৰেই নহয়। সেয়েহে নেতিবাচক দিশ সমূহ ইতিবাচকলৈ পৰিবৰ্তন কৰি ভাৰতবৰ্ষ তথা বিশ্ববাসীক এক মূল্যবোধ সম্পন্ন গোলকীয় গাঁও হিচাপে গঢ়িব লাগিব।

(Don't write anything beyond this margin)

Feedback (For office use only)
Structure/ Presentation
Question Interpretation
Content
Value Addition
Penalty (If any)
Total

SECTION: B

Q5. AI in Education: A push towards inclusivity
প্ৰশ্ন ৫) শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তা: অন্তৰ্ভুক্তিৰ দিশত এক পদক্ষেপ

Q6. Wetland Rejuvenation: A Bulwark Against Climate Change
প্ৰশ্ন ৬) জলাশয়ৰ পুনৰুজ্জীৱনঃ জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে এক শক্তিশালী পদক্ষেপ

Q7. Assamese Women in Agriculture: The Invisible Backbone of the Rural Economy
প্ৰশ্ন ৭) কৃষিক্ষেত্ৰত অসমীয়া মহিলাঃ গ্ৰাম্য অৰ্থনীতিৰ অদৃশ্য মেৰুদণ্ড

Q8. Mental Health: A forgotten debate in Assam
প্ৰশ্ন ৮) মানসিক স্বাস্থ্য: অসমত এক পাহৰণিৰ গৰ্ভত যোৱা বিতৰ্ক

(1200 words)

5. শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তা: অন্তৰ্ভুক্তিৰ দিশত এক পদক্ষেপ

শেহতীয়াকৈ ছছিয়েল মিডিয়াৰ প্লেটফৰ্মত আমি এগৰাকী দিব্যাংগ শিল্পীৰ সৈতে জড়িত হৈছিলোঁ। তেখেতৰ দৃষ্টিশক্তি জন্মৰ পৰাই নাই বুলি জানিব পাৰিছিলোঁ। কিন্তু তেখেতে নিজৰ দুৰ্বলতাক কেতিয়াও প্ৰকাশ নকৰে বৰঞ্চ এজন সাধাৰণ মানুহৰ দৰেই social media আদিত সকলোৰে লগত যোগাযোগ অব্যাহত ৰাখিছে। আমি

তেখেতৰ এই পৰিপক্কতাত কৌতূহল বশত জানিবলৈ চেষ্টা কৰিছিলোঁ যে তেওঁ কেনেকৈ ইমান মৰতকীয়া বাৰ্তা, শ্ৰেৰণ আথবা সংগীতৰ ইমান সুন্দৰ সূচিত সুচল ভাৱে কৰে। তেখেতে জনায় যে - তেওঁ কটন বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে, কৰবাত পা সংগীত অনুষ্ঠান থাকিলে অকলেই Ola, Uber ত যাত্ৰা কৰে, আনকি তেওঁ দৈনন্দিন নিত্য নৈমিত্তিক কাম যেনে Gym মোৰা, কৰবাত বজাৰ সামৰণ যাবে যাব লগা কামো কোনো সংগী অবিহনেই কৰে। কিন্তু তেওঁৰ একমাত্ৰ সংগী মোবাইল ফোনটো এই সকলো সময়তে লৈ ফুৰে; যিয়ে কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ AI য়ে তেওঁৰ সকলো কাৰ্য সুচলভাৱে সমাপন কৰাত সংগ দিয়ে। তেখেত হল শ্ৰীমান যিতম চাংকাকতি, অসমৰ এজন স্বনামধন্য Keyboard

8473823094
(Don't write anything beyond this margin)

শিল্পী, যিয়ে বহুতো প্ৰখ্যাত শিল্পীৰ লগত সংগীত পৰিৱেশন কৰিছে। আনকি তেওঁৰ ইংৰাজী তথা অসমীয়া ভাষাৰ প্ৰচুৰ দখল দেখি আমি অভিভূত হৈছিলোঁ। তেখেতে জনোৱা মতে কৃত্তিম বুদ্ধিমত্তাৰ যুগত তেওঁক ~~ভাষাৰ~~ শিক্ষাৰ দিশতেই হওঁক অথবা সাংস্কৃতিক দিশত AI য়ে ~~কেতিয়া~~ সদায় সকলোৰে মাজৰ এজন বুলি অন্তৰ্ভুক্তিশীল অনুভৱ কৰি আহিছে।

অকল ৰিতম চাংকাকতিয়ে নহওঁ এনে বহুতো শিল্পী, সাহিত্যিক, তথা বিভিন্ন দিশত জড়িত ব্যক্তি আছে যিয়ে কৃত্তিম বুদ্ধিমত্তাৰ আৱিষ্কাৰে আশীৰ্বাদ স্বৰূপ হৈ জীৱনৰ নতুন দিশৰ আলোকপাত কৰিছে।

বৰ্তমান যুগত কৃত্তিম বুদ্ধিমত্তা সকলো দিশতে প্ৰাসংগিক যদিও শিক্ষাৰ ক্ষেত্ৰত ~~অন্য~~ অন্তৰ্ভুক্তিৰ যোগেদি এক নব্য আলোড়নৰ সৃষ্টি কৰিছে। কৃত্তিম বুদ্ধিমত্তাই সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিক অংশীদাৰ হোৱাৰ এক সমতাপূৰ্ণ সুযোগ প্ৰদান কৰি আহিছে।

বিশ্বৰ বিভিন্ন দেশে এই ক্ষেত্ৰত এক সমূহীয়া প্লেটফৰ্মৰ মাধ্যমত সন্মিলিত হৈ কৃত্তিম বুদ্ধিমত্তাৰ প্ৰয়োগ তথা প্ৰসাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্তৰত আলোচনা বা সন্ধিতো স্বাক্ষৰ কৰিছে। ভাৰত চৰকাৰেও অন্যান্য দিশৰ লগতে শিক্ষাৰ ক্ষেত্ৰত কৃত্তিম বুদ্ধিমত্তাৰ প্ৰসাৰৰ বাবে বিভিন্ন আঁচনি যুগুতাইছে বিশেষকৈ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি 2020 ত ইয়াক বিস্তৃত পাঠ্যক্ৰমৰ যোগেদি

8473823094
(Don't write anything beyond this margin)

আগবঢ়োৱা নিয়ৰ এক সু-সংবদ্ধ পৰিকল্পনা মুঙতাইছে।

আজিৰ সময়ত কৃত্ৰিম বুদ্ধিমত্তাক চৰকাৰ তথা প্ৰশাসনিক ব্যৱস্থাই দেৱত্ব আৰোপিত কৰাৰ উদ্দেশ্য আহি পৰাৰ আঁৰত বিভিন্ন জনকল্যাণমূলক কাৰক নিহিত হৈ আছে।

কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগে এজন শিক্ষাৰ্থীক বিভিন্ন বিষয়ৰ জ্ঞানৰ পুংখানুপুংখ প্ৰণালীবদ্ধ বিশ্লেষণ দিয়াৰ উপৰিও ইয়াক বাস্তৱিক যেন লগা অনুভৱেৰে সৈতে নিৰ্দিষ্ট বিষয়বস্তু সম্বন্ধীয় জ্ঞান পৰম্পৰাগত শিক্ষণতকৈ অধিক ফলপ্ৰসূ, তথা ~~চিৰ~~ আবেদনমূলক আগ্ৰহী বিধৰ কৰি তোলে। উদাহৰণস্বৰূপে: এগৰাকী

ছাত্ৰ- বা ছাত্ৰীয়ে সালোক- সংশ্লেষণ প্ৰক্ৰিয়া সম্বন্ধে কিতাপত যিমান খিনি জ্ঞান আহৰণ কৰিব, সেয়া কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত শিকিলে অধিক আকৰ্ষণীয় অনুভৱ কৰিব তথা আহৰিত জ্ঞান বেছি ফলপ্ৰসূ হ'ব।

ঠিক তেনেদৰে শিক্ষাদান কাৰ্যসূচীতো কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত কৰা শিক্ষণ প্ৰণালীত ছাত্ৰ- ছাত্ৰীয়ে অধিক অন্তৰ্ভুক্তিমূলক অনুভৱ কৰিব। যেনে:- শৈক্ষিক ভ্ৰমণৰ কাৰ্যসূচী হিচাপে ওচৰৰ চিকিৎসালয় পৰিদৰ্শনৰ ওপৰত এটা প্ৰকল্প পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছে আনহাতে সেই একেটা শ্ৰেণীকোঠাতে ৰাজু নামৰ এজন ছাত্ৰ আছে যি সততে আনৰ সহায়ৰ অবিহনে ভ্ৰমণ কৰিব নোৱাৰে। এনে পৰিস্থিতিত

8473823094
(Don't write anything beyond this margin)

এজন শিক্ষকে ৰাজুক এৰি এই সকলৰ পৰিকল্পনা কৰিলে তেনে শিক্ষা বৈষম্যমূলক হব। কিন্তু যদি শিক্ষক জনে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত শ্ৰেণীকোঠাতে বুজিবলৈ পৰিদৰ্শনৰ অনলাইনত উপলব্ধ ভিডিওৰ জৰিয়তে অতি সহজে সকলো ছাত্ৰ ছাত্ৰীৰ সহায়ক ভাৱে শিক্ষণ প্ৰক্ৰিয়াটো আগবঢ়াই নিব পাৰে। এনে ধৰণৰ কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰে ৰাজুৰ দৰে এনে বহুতো শিক্ষাৰ্থীক শিক্ষাৰ অন্তৰ্ভুক্তিৰ দিশত উল্লেখযোগ্য পদক্ষেপ বুলি কব পাৰি।

কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ

বহু ক্ষেত্ৰত সময়োপযোগী ব্যৱহাৰে শিক্ষা পদ্ধতিক অধিক কাৰ্যকৰী ভাৱে লাভান্বিত

কৰে।

বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাক প্ৰায়োগিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে ব্যাপক পৰিসৰত সকলো ধৰণৰ শিক্ষা ব্যৱস্থাই গ্ৰহণ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তাক এতিয়া একোটা বিষয় হিচাপে বহুতো শিক্ষা প্ৰতিষ্ঠানে অনুমোদন দিছে। যেনে: অসমত অসম ৰাজ্যিক মাধ্যমিক শিক্ষা পৰিষদেও (ASSEB) এই বৰ্ষৰ পৰা কৃত্ৰিম বুদ্ধিমত্তাক ঐচ্ছিক বিষয় হিচাপে নৱম শ্ৰেণীৰ পৰা আৰম্ভনি কৰিছে।

দিছে Digital Divide অৰ্থাৎ ডিজিটেল বিভাজনৰ মূলত যাত দেশৰ 60% তকৈ অধিক ব্যক্তিয়ে ইন্টাৰনেট ব্যৱহাৰৰ উপলব্ধতাৰ সুযোগ গ্ৰহণ কৰিব পৰা ~~নাই~~ নাই, আনকি গাঁও

নগৰকেন্দ্ৰিক ইন্টাৰনেট ব্যৱহাৰৰ দিশতো এতিয়াও গাঁওত আধাতকৈ বেছি জনসংখ্যা ডিজিটেল ব্যৱস্থা সম্বন্ধে অজ্ঞাত। তেনে ক্ষেত্ৰত সীমিত সংখ্যক ব্যৱহাৰকাৰীৰ সৈতে সম্পূৰ্ণ অন্তৰ্ভুক্তিৰ আশা এতিয়াও যেন অলৌকিক।

কভিড দুৰ্যোগ সময়ত শিক্ষানুষ্ঠান সমূহ যেতিয়া বন্ধ হৈ আছিল তেতিয়া ছাত্ৰ-ছাত্ৰীসকলক ঘৰত বহিয়েই দূৰসংযোগ মাধ্যমৰ যোগেদি শিক্ষক-শিক্ষয়িত্ৰীক সংযোজিত কৰাৰ অৰ্থে চৰকাৰে স্বয়ম প্ৰভা, জ্ঞানবৃক্ষ দৰে অনুষ্ঠান প্ৰচাৰ কৰিছিল অথবা Google meet ৰ যোগেদি শিক্ষকক অনলাইন ক্লাছৰ ব্যৱস্থা কৰিব দিছিল যি আছিলে এক ইতিবাচক লক্ষ্য কিন্তু

দুৰ্ভাগ্যজনক ভাৱে ASER ৰ প্ৰকাশিত প্ৰতিবেদন অনুসৰি এই সময়ছোৱাত বহুতো শিক্ষাৰ্থীয়ে বিদ্যালয় এৰিছিল তথা শিক্ষাৰ মি প্ৰাথমিক সাংখ্যিক, আঙ্কৰিক জ্ঞান সেয়াও নিম্নগামী হৈছিল। গতিকে এনে ক্ষেত্ৰত শিক্ষাৰ অন্তৰ্ভুক্তি নহৈ বিভাজন হে হোৱা দেখা গৈছিল।

তদুপৰি ভাৰতবৰ্ষৰ দৰে এনে দেশ যত এতিয়াও বহুমাত্ৰিক দৰিদ্ৰতা 25% আশে পাশে আছে, তেনে দিশত কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে টেকনলজী যোগেদি সম্পূৰ্ণ অন্তৰ্ভুক্তিৰ প্ৰসাৰ সহজসাধ্য নহয়।

এনে ক্ষেত্ৰত Digital India, Bharat Net আঁচনি সমূহৰ বহলভাৱে প্ৰচাৰ তথা প্ৰসাৰ হলেহে কৃত্ৰিম বুদ্ধিমত্তাৰ

8473823094
(Don't write anything beyond this margin)

সঠিক প্রয়োগ তথা ব্যবহারের শিক্ষার ক্ষেত্রে অধিক অন্তর্ভুক্তিমূলক করি তুলিব পারা যায়।

8473823094

(Don't write anything beyond this margin)

Feedback (For office use only)
Structure/ Presentation
Question Interpretation
Content
Value Addition
Penalty (if any)
Total

ROUGH PAGE

8473823094

(Don't write anything beyond this margin)

ROUGH PAGE

ROUGH PAGE

মূল্যবোধহীনতাৰ eg.

মূল্যবোধসম্পন্ন শিক্ষাৰ গুৰুত্ব

মূল্যবোধৰ লগত জড়িত দৰ্শন. মহাত্মা গান্ধী, স্বামী বি., ভাগৱত.

মূল্যবোধহীনতাই বৰ্তমান সমাজত সৃষ্টি কৰা বিতৰ্ক তথা কিছু উদাহৰণ

চৰিত্ৰ পাঠ introduce in schools again

~~উলাশয়ৰ~~ শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তা

→ How AI changed current scenario

→ AI ৰ প্ৰয়োজনীয়তা আহি পৰাৰ কাৰণ

→ AI ৰ লাভালাভ → দিব্যাংগ

→ AI ৰ নেতিবাচক দিশ

ASSEB